بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**খন্দকৰ যুদ্ধ আৰু বনু কুৰাইজাৰ যুদ্ধৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱন পৰিক্ৰমা সম্পৰ্কে বৰ্ণনা।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১১ অক্টোবৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে চলি অহা জুমাৰ খোতবা বিলাকত আহযাবৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হৈ আছে। বৰ্ণনা কৰা হৈছে যে ৰাতিৰ বেলিকা কাফিৰ সকলে ধুমুহাৰ কাৰণে যুদ্ধ ময়দান এৰি পলাই যায়। আল্লাহ তা'লা যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ বিৰুদ্ধে অহা কাফিৰ বাহিনীক খেদি পঠিয়াইছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল **আলআনা নাগজুহুম ওৰা লা ইয়াগজুনানা** অৰ্থাৎ আগলৈ আমি কুৰাইছৰ বিৰুদ্ধে ওলাম কিন্তু সিহঁতে আমাৰ বিৰুদ্ধে ওলাই আহিবলৈ সাহস নাপায়। পিছৰ দিনবিলাকত এনেকুৱাই হৈছিল। খন্দক অৱৰোধ পোন্ধৰ দিন, আন এটা বৰ্ণনা মতে বিছ দিন নাইবা এমাহ কাল চলিছিল। খন্দকৰ যুদ্ধত ন জন চাহাবা শ্বহীদ হৈছিল আৰু দুজন চাহাবী আগতেই শ্বহীদ হৈছিল। এই দুজন লোকে আবু ছুফিয়ানৰ সৈন্য বাহিনীৰ গম ল'বলৈ গৈছিল। এনেদৰে মুঠ এঘাৰ জন চাহাবা শ্বহীদ হৈছিল। ইয়াৰ বিপৰীতে মুশৰিক সকলৰ তিনিজন লোক নিহত হৈছিল।

আহযাবৰ যুদ্ধ অলৌকিক ভাৱে অন্ত পৰিছিল। এই সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে লিখিছে যে প্ৰায় ২০ দিন মান অৱৰোধ চলাৰ পিছত কাফিৰ সকলে নিৰাশ হৈ মদিনা এৰি গুচি যায় আৰু বনু কুৰাইজা, যিসকলে কাফিৰ সকলক সহায় কৰিবলৈ আহিছিল, তেওঁলোকেও নিজৰ দুৰ্গলৈ ওভতি গৈছিল। এই যুদ্ধত আউচ কবিলাৰ চৰদাৰ ছাআদ বিন মুৱাজ (ৰাঃ) এনেকুৱা আঘাত প্ৰাপ্ত হৈছিল যে পিছলৈ আৰু আৰোগ্য লাভ কৰিব পৰা নাছিল। এই যুদ্ধত কুৰাইছ সকলে ইমানেই নিৰাশ হৈ পৰে যে পিছলৈ আকৌ মুছলমান সকলৰ বিৰুদ্ধে তেওঁলোকে ঐক্যবদ্ধ হৈ মদিনাৰ ওপৰত আক্ৰমণ কৰাৰ সাহস পোৱা নাছিল আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী আখৰে আখৰে পূৰ্ণ হৈছিল।

কাফিৰ বাহিনী যুদ্ধৰ পৰা ওভতি যোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলকও ওভতি আহিবলৈ

নির্দেশ দিয়ে আৰু মুছলমান সকলে ময়দান এৰি মদিনাত প্ৰৱেশ কৰে। খন্দক অথবা আহযাবৰ যুদ্ধ কল্পনাতীত ভাৱে অন্ত পৰিছিল যদিও এয়া বৰ ভয়ানক পৰিস্থিতিৰ যুদ্ধ আছিল। ইয়াৰ আগতে ইমান ডাঙৰ বিপদ মুছলমান সকলৰ ওপৰত আৰ্বিভাৱ হোৱা নাছিল আৰু না ইয়াৰ পিছত হৈছিল। আঁহজৰত (ছাঃ)ৰ জীৱনত আৰু ইমান ডাঙৰ সমস্যা কেতিয়াও দেখা দিয়া নাছিল। এয়া ইমানেই ভয়ানক কম্পন আছিল যে ইছলামৰ অট্টালিকা তলৰ পৰা কঁপাই তুলিছিল আৰু দুৰ্বল চেতিয়া লোক সকলে ভৰিছিল যে এতিয়া সকলো শেষ হৈ যাব। এই বিপদৰ ভয়াবহতা বনু কুৰাইজাৰ বিশ্বাসঘাতকতাৰ দ্বিগুণ কৰি তুলিছিল এই সমস্ত বিবাদৰ মূলতে আছিল বনু নজিৰৰ নিকৃষ্ট ইহুদী সকল, যি সকলৰ ওপৰত আঁহজৰত (ছাঃ)য়ে দয়া প্ৰৱণ হৈ সিহঁতক মদিনাৰ পৰা নিৰাপদে ওলাই যাবলৈ অনুমতি দিছিল। এই ইহুদী সকলৰ ষড়যন্ত্ৰ মৰু আৰবৰ সৰু ডাঙৰ সকলো কবিলা ইছলামৰ বিৰুদ্ধে শত্ৰুতাত মতলীয়া হৈ মুছলমান সকলক পৰাভূত কৰিবলৈ মদিনাৰ কাষত আহি জমা হৈ পৰে। এয়া নিশ্চিত আছিল যে যদি এই হিংস্ৰ পশু সূলভ মানুহ বিলাকে সেই সময়ত মদিনা চহৰত প্ৰৱেশ কৰিবলৈ সুযোগ পালেহেঁতেন তেন্তে এজন মুছলমানও জীয়াই থাকিব নিদিলেহেঁতেন। লগতে সতী সাধবী মুছলমান মহিলাৰ সন্মান, সিহঁতৰ লেতেৰা আক্ৰমণৰ পৰা নিৰাপদ নাথাকিলে হয়। কিন্তু আল্লাহ তা'লাৰ এয়া একমাত্ৰ ফজল আৰু তাৰ অলৌকিক ক্ষমতা প্ৰদৰ্শিত হৈছিল যে সেই নিষ্ঠুৰ, নিৰ্দয় লোক সকলে নিষ্ফল হৈ ওভতি যাব লগা হৈছিল আৰু মুছলমান সকলে স্বস্থিৰ নিশ্বাস লৈ সুকলমে নিজৰ ঘৰলৈ বুলি ওভতি আহিছিল।

কিন্তু ইফালে বনু কুৰাইজাৰ ফালৰ পৰা বিপদৰ আশঙ্কা চলিয়ে আছিল আৰু সিহঁতক দমন কৰাৰ অতি প্ৰয়োজন হৈ পৰিছিল কাৰণ সিহঁতৰ অস্তিত্ব মদিনাত বসবাসকাৰী মুছলমান সকলৰ বাবে কোচৰ সাপতকৈ কম নাছিল। ইহঁতক দমন কৰিবলৈ বনু কুৰাইজাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰা হয় যাক বনু কুৰাইজাৰ যুদ্ধ বুলি অভিহিত কৰা হয়। এই যুদ্ধ পাঁচ হিজৰীৰ জিলকাদাহ অৰ্থাৎ ৭২৭ খ্ৰীষ্টাব্দৰ মাৰ্চ অথবা এপ্ৰিল মাহত সংঘটিত হৈছিল। খন্দকৰ যুদ্ধৰ অন্ত পৰাত ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলে অস্ত্ৰ সামৰি থৈছিল। হজৰত আয়শা (ৰাঃ)য়ে মাত লগাই কয় যে ইয়া ৰছুলুল্লাহ ! আপুনি অস্ত্ৰ সামৰি থৈছে নেকি ? আল্লাহৰ কছম ! আমি অস্ত্ৰ এৰি দিয়া নাই আৰু এতিয়াও আমি আহযাবৰ পিছানুসৰণ কৰি ওভতি আহি আছো, আমি হামৰাউল আছাদলৈকে গৈছিলো আৰু আল্লাহ তা'লা সিহঁতক পৰাস্ত কৰিছে আৰু ইংগিতেৰে তেখেত (ছাঃ)ক বনু কুৰাইজাৰ ফালে দৃষ্টি দিবলৈ কয়। হজৰত আয়শা (ৰাঃ)য়ে প্ৰশ্ন কৰে যে এইজন হজৰত অহিয়া কলবি (ৰাঃ) হয় নে ? তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে তাৰ ছায়া সদৃশ এইজন হজৰত জিব্ৰাইল (আঃ) হয়। ৰছুলুল্লাহ (ছাঃ)য়ে তেতিয়াই ঘোষণা কৰোৱাইছিল যে বনু কুৰাইজাৰ ফালে ওলাই পৰিব লাগে আৰু আছৰৰ নামাজ তাতে গৈ পঢ়িব লাগে। গতিকে এই ঘোষণা শুনাৰ লগে লগে চাহাবা সকলে ওলাই পৰে। কিছুমান চাহাবাই আছৰৰ নামাজৰ সময় পাৰ হৈ যোৱাৰ আশংকা কৰি বাটতে নামাজ পঢ়ি লয় আৰু কিছুমানে বনু কুৰাইজাৰ দুৰ্গৰ কাষত দুয়োটা দলকেই একো কোৱা নাছিল। তেখেত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক মাতি পঠিয়াই আৰু তেখেতক সৈন্যৰ ক'লা ৰঙৰ আকাব নামৰ পতাকা খন দিয়ে। পোনপ্ৰথমে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক জামাতৰ সৈতে প্ৰথম দল বিলাকৰ আগে আগে যাবলৈ দিয়ে আৰু নিজেও তাৰ পিছে পিছে ৰাওনা হয়।

মুছলমান সকলৰ বনু কুৰাইজাৰ দুৰ্গ অৱৰোধ সম্পৰ্কে বিতং ব্যাখ্যা এইদৰে উল্লেখ আছে যে যেতিয়া অৱৰোধৰ সময় দীঘলীয়া হৈ গৈছিল আৰু ইহুদী সকলেও ৰক্ষা পোৱাৰ কোনো উপায় বিচাৰি পোৱা নাছিল, তেতিয়া তেওঁলোকৰ চৰদাৰ কাআব বিন আছিদে ইহুদী সকলৰ আগত তিনিটা পৰিকল্পনা সম্পৰ্কে ব্যক্ত কৰে। প্ৰথমে আমি মহম্মদ (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰি মুছলমান হৈ যাওঁ কাৰণ তেখেতৰ সত্যতা প্ৰকাশ পাইছে এনেদৰে নিশ্চয় যুদ্ধ বন্ধ হ'ব। দ্বিতীয়তে আমি আমাৰ ল'ৰা-ছোৱালী আৰু মহিলা সকলক হত্যা কৰি নিশ্চিন্তে

তৰোৱাললৈ যুদ্ধ ময়দানলৈ ওলাই যাওঁ, তাৰ পিছত যি হয় হ'ব। তৃতীয়তে আজি ছবতৰ ৰাতি সেয়ে মহম্মদ (ছাঃ) আৰু তেখেতৰ চাহাবা সকলে আজি আমাৰ ফালৰ পৰা নিৰাপদ বুলি ভাৱিব পাৰে। কিন্তু আজি আমি দুৰ্গৰ পৰা ওলাই তেখেত (ছাঃ) আৰু তেখেতৰ লগৰীয়া সকলৰ ওপৰত আক্ৰমণ কৰিব পাৰো আৰু কিজানি আমি জয় লাভও কৰিব পাৰো। কিন্তু বনু কুৰাইজাৰ লোক সকলে এই তিনিওটা পৰিকল্পনা মানি ল'বলৈ অস্বীকাৰ কৰে। কাআবৰ পিছত আন এজন ইহুদী আমৰ বিন ছাআদ কয় যে তোমালোকে মহম্মদ (ছাঃ)ৰ সৈতে চুক্তিবদ্ধ আছিলা, সেয়া তোমালোকে ভঙ্গ কৰিছা, গতিকে তোমালোকে ইহুদীয়তৰ ওপৰত অটুট থাকি মুছলমান সকলক জিজিয়া প্ৰদান কৰা। কিন্তু এই পৰামৰ্শও ইহুদী সকলে অগ্ৰাহ্য কৰে। সেয়ে আমৰ বিন ছাআদ সেই ৰাতিয়েই কুৰাইজাৰ দুৰ্গৰ পৰা ওলাই গুচি যায় আৰু আঁহজৰত (ছাঃ)য়েও তাক যাবলৈ অনুমতি দিয়ে। আঁহজৰত (ছাঃ)য়ে তাক কৈছিল যে তুমি এনেকুৱা এজন লোক যাক আল্লাহ তা'লা তাৰ আনুগত্যৰ বাবে মুক্তি দিছে। তেখেত (ছাঃ)ৰ এই কথা শুনি আৰু তিনিজন লোকে সেই ৰাতিয়ে দুৰ্গৰ পৰা ওলাই আহি ইছলাম গ্ৰহণ কৰে আৰু নিজৰ প্ৰাণ, নিজৰ বংশ আৰু নিজৰ ধন সম্পদ ৰক্ষা কৰে।

হজৰত আবুল বাবাৰ ঘটনাও বৰ্ণিত আছে। এই বিষয়ে লিখা আছে যে বনু কুৰাইজাৰ ইচ্ছানুযায়ী কথা-বতৰা পাতিবলৈ আঁহজৰত (ছাঃ)য়ে হজৰত আবু লিবাবা বিন মনজৰ আনছাৰী (ৰাঃ)ক তেওঁলোকৰ দুৰ্গৰ ভিতৰলৈ পঠিয়াই দিয়ে। এনেতে বনু কুৰাইজাৰ লোকে অভিসন্ধি কৰি হজৰত আবু লিবাবাই দুৰ্গত প্ৰৱেশ কৰাৰ লগে লগে তেওঁলোকৰ ল'ৰা-ছোৱালী আৰু মহিলা সকলে এখেত (ৰাঃ)ৰ আগত কান্দিবলৈ আৰম্ভ কৰে। এয়া দেখি হজৰত আবু লিবাবা (ৰাঃ)য়ে দয়া প্ৰৱণ হৈ পৰে। ইহুদী সকলে কয় যে মহম্মদ (ছাঃ) নিজৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাহিৰে কোনো কথা শুনিবলৈ সাজু নহয়। আপোনাৰ ধাৰণা কি হয় আমি তেখেতৰ সিদ্ধান্ত মানি লওঁ নেকি ? তেতিয়া হজৰত আবু লিবাবা (ৰাঃ)য়ে উত্তৰ দিয়ে যে হয়। আৰু নিজৰ হাত গল লৈকে উঠাই জবাই কৰাৰ ইংগিত দিয়ে যে আঁহজৰত (ছাঃ)য়ে তোমালোকক হত্যা কৰাৰ আদেশ দিব। আচলতে এয়া ভুল ধাৰণা আছিল। আঁহজৰত (ছাঃ)য়ে এনেকুৱা ধৰণৰ কোনো কথা কোৱা নাছিল। হজৰত আবু লিবাবা (ৰাঃ)য়ে কয় যে আল্লাহৰ কছম ! মই এয়া কেনে ইংগিত কৰিলো। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন পঢ়িলো আৰু ওভতি আহি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত নগলো, পোনে পোনে মছজিদত গৈ মই নিজকে মছজিদৰ খুঁটিৰ সৈতে বান্ধি ললো আৰু মনে মনে ভাৱিলো যে মই ইয়াৰ পৰা নাযাওঁ, যেতিয়ালৈকে মোৰ মৃত্যু নহয়। অথবা যদি আল্লাহ মোৰ এই কাৰ্যৰ বাবে তৌবা কবুল কৰি নলয়। ইবনে হিশামে কৈছে যে এখেতে ছয় ৰাতিলৈকে তাতে বন্ধা অৱস্থাত আছিল। অৱশেষত আল্লাহ তা'লা হজৰত আবু লিবাবাৰ তৌবা কবুল কৰে আৰু এই সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত আয়াত নাযিল হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যিয়েই নহওঁক এয়া স্পষ্ট যে হজৰত আবু লিবাবা (ৰাঃ)ৰ এই ঘটনা ছহী ছিত্তাত উল্লেখ নাই, ইতিহাসত উল্লেখ আছে।

আগলৈ এই বৰ্ণনা ধাৰাবাহিক ভাৱে চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ তেহেৰিক কৰি কয় যে পাকিস্তানৰ আহমদী সকলে নিজেও নিজৰ বাবে দোৱা কৰা উচিত। বৰ্তমানে সিহঁতৰ বাবে জমিন সংকীৰ্ণ কৰাৰ চেষ্টা চলি আছে। আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিবলৈ বেছি বেছি চেষ্টা কৰা উচিত কাৰণ পৰিস্থিতি বৰ বেয়াৰ ফালে ঢাল খাই আছে। যেনেকৈ মই কৈছো যে আল্লাহ তা'লা কৃপা আৰু করুণা বৰ্ষণ কৰক। পাকিস্তানী সকলে নিজৰ পাকিস্তানী ভাই সকলৰ বাবে দোৱা কৰক। আল্লাহ তা'লা সিহঁতক বিপদৰ পৰা মুক্তি দান কৰক। আমীন-

এনেদৰে বাংলাদেশৰ আহমদী সকলৰ বাবে দোৱা কৰিব আৰু তেওঁলোকৰ নিজে নিজৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সিহঁতক সকলো সমস্যাৰ পৰা পৰিত্ৰাণ দিয়ক। উক্ত দেশতও আহমদী সকলে বৰ বিপদত

আছে। আলজেৰিয়াৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সিহঁতকও সমস্যামুক্ত কৰক। তাতে আহমদী সকলক গ্ৰেপ্তাৰ কৰা হৈ আছে। আল্লাহ তা'লা সিহঁতৰ ঈমান মজবুত ৰাখক। ছুইডেনৰ আহমদী সকলেও তাতে যুদ্ধৰ পৰিস্থিতিৰ কাৰণে বেয়া অৱস্থাত পৰিছে। তেওঁলোকৰ বাবেও দোৱা কৰিব।

প্ৰত্যেক ঠাইতে মুছলমানে মুছলমানৰ হাতত নিপীড়ন, অত্যাচাৰৰ বলি হৈ আছে আৰু এই কাৰণেই অমুছলিম ইছলাম বিৰোধী লোক সকলে নিৰ্বিঘ্নে মুছলমানৰ ক্ষতি সাধন কৰাৰ চেষ্টা চলাই আছে। বেছি বেছি দোৱা কৰিব। আল্লাহ তা'লা ইজৰাইল চৰকাৰ আৰু আমেৰিকাৰ চৰকাৰ আৰু ডাঙৰ ডাঙৰ শক্তি বিলাকৰ হাত ৰোধ কৰক। এওঁলোকৰ হাততেই সকলো শক্তি জমা হৈ আছে। কিন্তু ইয়াৰ বাবে মুছলমান সকলে নিজৰ আমল আল্লাহ তা'লাৰ সন্তুষ্টিৰ ফালে ঢাল খোৱাব লাগিব আৰু ভাই ভাই হোৱাৰ দৃষ্টান্ত স্থাপন কৰিব লাগিব। পাৰস্পৰিক মতবিৰোধ দূৰ কৰিব লাগিব। তেতিয়াহে আল্লাহ তা'লাৰ সহায়ৰ প্ৰতিশ্ৰুতি পূৰ্ণ হ'ব। ইয়াৰ অন্যথায় প্ৰতিশ্ৰুতি পূৰ্ণ নহয়। মুছলমান সকলে মোমিন হিচাপে থাকিব লাগিব। আল্লাহ তা'লা আমাক আৰু সকলো মুছলমানকও ইয়াৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 11 OCT 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O-ISHAAT QADIAN

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা